# Prime Minister Shri Narendra Modi speaks on telephone with His Excellency Mr. Vladimir Putin, President of the Russian Federation

July 01, 2022

# প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ফোন যোগে বাৰ্তালাপ ৰুছ ফেডাৰেচনৰ ৰাষ্ট্ৰপতি মাননীয় মিঃ ভ্লাডিমিৰ পুটিনৰ সৈতে

জুলাই 01, 2022

প্ৰধান মন্ত্ৰী, শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰুছ ফেডাৰেচনৰ ৰাষ্ট্ৰপতি, মাননীয় মিঃ ভ্লাডিমিৰ পুটিনৰ সৈতে ফোন যোগে বাৰ্তালাপ কৰে।

দুয়োজন নেতাই ডিচেম্বৰ 2021 চনত ৰাষ্ট্ৰপতি পুটিনৰ ভাৰত ভ্ৰমণৰ সময়ত লোৱা সিদ্ধান্তসমূহৰ ৰূপায়ণ পুনৰীক্ষণ কৰে। বিশেষভাৱে, তেওঁলোকে ভাব বিনিময় কৰে কিদৰে কৃষি সামগ্ৰী, সাৰ আৰু ফাৰ্মা উৎপাদনত দ্বিপক্ষীয় ব্যৱসায় আগলৈ উৎসাহিত কৰিব পৰা যায়।

নেতা দুজনে লগতে বিশ্বজুৰা বিষয়সমূহো আলোচনা কৰে, যাৰ ভিতৰত আছিল আন্তঃৰাষ্ট্ৰীয় শক্তি আৰু খাদ্য বজাৰৰ স্থিতি।

ইউক্ৰেনত অব্যাহত পৰিস্থিতিৰ সন্দৰ্ভত, প্ৰধান মন্ত্ৰীয়ে আলোচনা আৰু কূটনীতিৰ পক্ষত ভাৰতৰ দীৰ্ঘদিনীয়া স্থিতি পুনৰ উল্লেখ কৰে।

নেতাকেইজনে বিশ্বজুৰা আৰু দ্বিপক্ষীয় বিষয়সমূহৰ ওপৰত নিয়মীয়া আলোচনা ৰক্ষা কৰিবলৈ সিদ্ধান্ত লয়।

**নতুন দিল্লী**
**জুলাই 01, 2022**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.